**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অভ্যন্তৰীন জলপথ উন্নয়ন পৰিষদৰ দ্বিতীয়খন বৈঠক আজি কাজিৰঙাত অনুষ্ঠিত হৈছে। বৈঠকত এহেজাৰ ৪০০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে অসম তথা উত্তৰ-পূৰ্বাঞ্চলকে ধৰি দেশৰ অভ্যন্তৰীন জলপথ পৰিবহন খণ্ডত কেইবাটাও নতুন প্ৰকল্পৰ শুভাৰম্ভ কৰা হৈছে। সেই অনুসৰি জাহাজ আৰু কৰ্মচাৰী  পঞ্জীয়নৰ বাবে কেন্দ্ৰীয় তথ্য সমৃদ্ধ পোৰ্টেল ডিজিটেল ইণ্ডিয়া  মুকলি কৰা হয়। এই বৈঠকতে ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰনিৰ্মাণ, আঞ্চলিক উৎকৰ্ষ কেন্দ্ৰ স্থাপন, ৰাজ্যৰ চাৰিটা স্থানত পৰ্যটন টাৰ্মিনেলৰ বিকাশ, পাণ্ডু জাহাজ মেৰামতি কেন্দ্ৰৰ পৰা পাণ্ডু বন্দৰলৈ সংযোগী পথ, দুই আৰু ১৬ নম্বৰ অৰ্থাৎ বৰাক আৰু ব্ৰহ্মপুত্ৰ ৰাষ্ট্ৰীয় জলপথত চলাচলৰ বাবে ১২ খন জাহাজ ক্ৰয়, বৰাক নদীৰ বাবে এখন জৰীপ জাহাজ ক্ৰয় আদি বিভিন্ন ঘোষণা কৰা হয়। অনুষ্ঠানত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰ, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অন্ধ্ৰ প্ৰদেশৰ পথ আৰু ভৱন মন্ত্ৰী বি চি জনাৰ্দন ৰেড্ডী, অৰুণাচল প্ৰদেশৰ গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰী অজিং টেচিংগুকে ধৰি আন কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

০০০০

যোৱা সোমবাৰে উমৰাংছ'ৰ তিন কিলোৰ কয়লা খনিত হঠাতে সোমোৱা পানীৰ বাবে সংঘটিত দুৰ্ঘটনাৰ চাৰি দিন অতিবাহিত হোৱাৰ পাছতো খনিৰ ভিতৰত আবদ্ধ শ্ৰমিকৰ সন্ধান উলিয়াব পৰা হোৱা নাই। উদ্ধাৰ কাৰ্যত নিয়োজিত নৌ সেনা বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য বাহিনী, সেনা বাহিনী, ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী বাহিনী আদি সকলো সংস্থাই এতিয়া কোনো শ্ৰমিকক জীৱিত অৱস্থাত উদ্ধাৰ কৰিব পৰা অৱস্থা নাই বুলি ঘোষণা কৰিছে। বিশাখাপট্টনমৰ নৌ সেনা কমাণ্ডৰ পৰা অহা উদ্ধাৰকাৰী দলে কালিও উদ্ধাৰ কাৰ্যত দূৰ সংবেদী বাহন ব্যৱহাৰ কৰে আৰু ক'ল ইণ্ডিয়াই ব্যৱহাৰ কৰা উচ্চমানৰ পানী নিষ্কাষণ যন্ত্ৰৰে খনিৰ আভ্যন্তৰৰ পৰা পানী সিঁচাৰ কাম অব্যাহত ৰাখে।  আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি কালি নিশালৈ চলা অভিযানত কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা হোৱা নাই। নৌ সেনা, বায়ু সেনা আৰু অসম আৰক্ষীৰ নিৰৱিচ্ছিন্নভাৱে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ইফালে, কংগ্ৰেছকে ধৰি কেইবাটাও বিৰোধী দলে উমৰাংছ'ৰ খনি দুৰ্ঘটনাৰ প্ৰকৃত তথ্য চৰকাৰে দিয়া নাই বুলি অভিযোগ কৰিছে।

০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশন চলি আছে। এই চাৰিদিনীয়া অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। বড়ো সাহিত্য সভাৰ

সভাপতি ড০ সূৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া আলোচনা চক্ৰখনত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ইছমাইল হুছেইন আৰু বড়ো স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি ডিমাকুছি শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰিব। ইয়াৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ প্ৰতিনিধিৰ সৈতে বিশেষ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলি সাহিত্য অকাডেমী বঁটাপ্ৰাপক নন্দেশ্বৰ দৈমাৰীয়ে কবি সন্মিলনৰ উদ্বোধন কৰিব।

০০০০

ওদালগুৰি জিলাৰ খৈৰাবাৰী থানাৰ অন্তৰ্গত আটেলিয়া চিমাংপুৰীত এটা হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। যুদ্ধ বড়ো নামৰ এজন যুৱকে ছবিৰাম বড়ো নামৰ ৬০ বছৰীয়া লোক এজনক  কুঠাৰেৰে মূৰত আঘাত কৰি হত্যা কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে যুদ্ধ বড়ো আৰু ছবিৰাম বড়ো সম্পৰ্কত খুড়াক-ভতিজাক। ব্যক্তিগত কাজিয়াৰ ফলতে এই ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে।

০০০০

গুৱাহাটীৰ খানাপাৰা ফাৰ্ম গেট খেলপথাৰত পশুপালন আৰু পশু চিকিৎসা বিভাগ, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ পশুধন আৰু হাঁহ-কুকুৰা মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ ডেৰ শতাধিক বিপণীয়ে অংশগ্ৰহণ কৰিছে। মেলাত বিভিন্ন প্ৰজাতিৰ পশুধন, হাঁহ-কুকুৰা, আলংকৰিক চৰাই প্ৰদৰ্শন আৰু বিক্ৰীৰ উপৰি বিভিন্ন পশুজাত আৰু দুগ্ধজাত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি পশুপালনত ব্যৱহৃত আধুনিক যন্ত্ৰপাতি, সঁজুলি, আচবাব আদি প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে।  বিগত বৰ্ষৰ দৰে এইবাৰো মেলাত শ্ৰেষ্ঠ গো-পালক, ছাগলী পালক, ম'হ পালক, গাহৰি, পালক আৰু উন্নত জাতৰ ঘাঁহ খেতিয়কক ৰাজ্যিক আৰু জিলা-ভিত্তিক পুৰস্কাৰ প্ৰদান কৰা হ'ব।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ডং শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০

সমাপ্ত